

# ব্ৰহ্মপুত্ৰ উপত্যকাৰ বানপানী

**হেমেন্দ্ৰ নাথ তহবিলদাৰ**

নদীৰ বুকুৰেদি তাৰ বহন ক্ষমতাতকৈ বেছি পানী বৈ আহিলে ই ধৰি ৰাখিব নোৱৰা পানীখিনি দুয়োপাৰ উপচি পৰি দ অঞ্চলবোৰত বানপানীৰ সৃষ্টি কৰে। সেই সময়ত যদি সমতলৰ পথাৰবোৰত বৰষুণৰ পানী জমা হৈ থাকে তেতিয়া সমগ্ৰ পথাৰখনেই সাগৰসদৃশ হৈ পৰে।

আমাৰ ৰাজ্যখনত সঘনে হৈ থকা বানপানীৰ কাৰণসমূহৰ কথা চিন্তা কৰিলে প্ৰথমতেই দাঁতি-কাষৰীয়া পাহাৰীয়া ৰাজ্যকেইখনৰ পৰা বৈ অহা ব্ৰহ্মপুত্ৰৰ উপনৈকেইখনৰ কথা মনলৈ আহে। তাৰ লগে লগে মনত পৰে আমি পুতি পেলোৱা সেই বাৰিষাৰ পানী ধৰি ৰখা খাল-পিটনিবোৰলৈ। এটা সময়ত গ্ৰামাঞ্চলত বিশাল বিস্তৃতিৰ খেতি-পথাৰবোৰ দেখা গৈছিল, কিন্তু যাতায়াত ব্যৱস্থাৰ উন্নয়নৰ স্বাৰ্থত নিৰ্মাণ কৰা পথসমূহে এতিয়া মথাউৰিৰ দৰে কাম কৰি পথাৰৰ স্বাভাৱিক বোৱঁতী পথসমূহ অৱৰুদ্ধ কৰি পেলাইছে। এনে পথত পানী নিৰ্গমনৰ বাবে সঠিক স্থানত প্ৰয়োজনীয় সংখ্যক কালভাৰ্ট আৰু দলঙৰ ব্যৱস্থা নোহোৱাৰ বাবে পথাৰবোৰ ব্যৱহাৰিক অৰ্থত কিছুমান ডাঙৰ ডাঙৰ পুখুৰীলৈ ৰূপান্তৰিত হৈ গৈছে। সেয়েহে আজিকালি প্ৰায়বোৰ দ পথাৰত বানপানীৰ পাছত খৰালি কালৰ খেতি কৰিবলৈ খুব কম সময় পোৱা যায়। বেছিভাগ ঠাইত কৃষকে উপায় নাপাই তেনে খেতি-পথাৰবোৰক মীনপালন ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিবলৈ ধৰিছে।

ওখ ঠাইৰ পৰা নামনিলৈ বৈ অহা ধৰ্মৰ বাবে এজাক বৰষুণৰ পাছত আমাৰ ঘৰৰ চাৰিওফালৰ পানীভাগ চোতালৰ আটাইতকৈ দ চুকটোৰে বাহিৰৰ নলালৈ ওলাই যায়। ভুগোলৰ ভাষাত যি সমগ্ৰ ভূমিভাগৰ পৰা পানী বৈ গৈ সেই নলাটোত পৰে সেই অঞ্চলটোক এই নলাটোৰ জলচ্ছেদ (Watershed) বুলি কোৱা হয়। ঠিক তেনেদৰে এখন গাঁও এটা বিশেষ জানৰ বাবে এটা জলচ্ছেদ হ'ব পাৰে আৰু কেইবাটাও জানলৈ বৈ অহা সমূহ (জলচ্ছেদৰ) মাটিকালি এখন উপনৈৰ বাবে জলচ্ছেদ হ'ব পাৰে। গতিকে ইয়াৰ দ্বাৰা এইটো প্ৰতীয়মান হয় যে বোৱঁতী ধাৰাবোৰৰ সুনিৰ্দিষ্ট ভৌগোলিক সীমা থাকে।

মাটিকালিৰ পৰিমাণৰ হিচাপত জলচ্ছেদ ব্যৱস্থাপনাৰ (Watershed management) কাৰ্যসমূহ ৰূপায়ণৰ বাবে জলচ্ছেদসমূহক সাধাৰণতে Mini-watershed (১—১০০ হেক্টৰ), Micro-watershed (১০০—১০০০ হেক্টৰ), Milli-watershed (১০০০—১০০০০ হেক্টৰ), Sub-watershed (১০০০০-৫০০০০ হেক্টৰ) আৰু অৱবাহিকা (Basin) (>৫০০০০ হেক্টৰ)—এইকেইটা ভাগত ভাগ কৰা হয়। আমাৰ ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ পৰিসৰ ইয়াৰ দাঁতি-কাষৰীয়া পাহাৰৰ ৰাজ্যসমূহ আৰু ভুটান দেশলৈকে বিস্তৃত হৈ আছে।

আমাৰ ৰাজ্যখনক তিনিওফালে পাহাৰীয়া ৰাজ্যই আৰু এফালে ভুটান দেশে আৱৰি আছে। ৰাজ্যখনলৈ বৰষুণৰ পানী বৈ অহা মেঘালয়ৰ মাটিকালি ২২,৪২৯ বৰ্গকিল'মিটাৰ নাগালেণ্ডৰ ১৬,৫৭৯ বৰ্গকিল'মিটাৰ অৰুণাচল প্ৰদেশৰ ৮৩,৭৪৭ বৰ্গকিল'মিটাৰ আৰু ভুটান দেশৰ মাটিকালি হৈছে ৩৮,৩৯৪ বৰ্গকিল'মিটাৰ। ইয়াৰ ভিতৰত অৰুণাচল প্ৰদেশ আৰু আমাৰ সীমাত থকা ভুটানত হোৱা বৰষুণৰ সমগ্ৰ পানী আহি ব্ৰহ্মপুত্ৰত পৰে আৰু বাকী ৰাজ্যসমূহৰ পানীখিনি দুফালে ভাগ হৈ তাৰে এভাগ ব্ৰহ্মপুত্ৰত পৰে।

**আমাৰ ৰাজ্যখনক তিনিওফালে পাহাৰীয়া ৰাজ্যই আৰু এফালে ভুটান দেশে আৱৰি আছে। ৰাজ্যখনলৈ বৰষুণৰ পানী বৈ অহা মেঘালয়ৰ মাটিকালি ২২,৪২৯ বৰ্গকিল'মিটাৰ নাগালেণ্ডৰ ১৬,৫৭৯ বৰ্গকিল'মিটাৰ অৰুণাচল প্ৰদেশৰ ৮৩,৭৪৭ বৰ্গকিল'মিটাৰ আৰু ভুটান দেশৰ মাটিকালি হৈছে ৩৮,৩৯৪ বৰ্গকিল'মিটাৰ। ইয়াৰ ভিতৰত অৰুণাচল প্ৰদেশ আৰু আমাৰ সীমাত থকা ভুটানত হোৱা বৰষুণৰ সমগ্ৰ পানী আহি ব্ৰহ্মপুত্ৰত পৰে আৰু বাকী ৰাজ্যসমূহৰ পানীখিনি দুফালে ভাগ হৈ তাৰে এভাগ ব্ৰহ্মপুত্ৰত পৰে।**